সঞ্চালকালয়ৰ অধীনত থকা গুৱাহাটীৰ এই বৃহৎ ভূখণ্ড বিজ্ঞোগ ...
ব্যৱহাৰ কৰে সেয়া বিশেষভাৱে লক্ষণীয় হৈ পৰিছে।

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিঃৰ

বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰাজেন্দ্ৰ প্ৰসাদ দাসে কয় যে এই স্বীকৃতিয়ে বিশ্ববিদ্যালয়ৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টা সফল কৰি তুলিলে। এতিয়াৰে পৰা হেজাৰ হেজাৰ আগ্ৰহী শিক্ষাৰ্থীৰ, বিশেষকৈ স্নাতকোত্তৰ পাঠ্যক্ৰম সমাপ্ত কৰাৰ ইচ্ছা পুহি ৰখা কৰ্মৰত স্নাতক শিক্ষকসকলৰ মনৰ আশা পূৰণ হ'ব। তেওঁ কয় যে বৰ্তমান বিশ্ববিদ্যালয়খনে ৰাজ্যত উচ্চ শিক্ষা লাভৰ বাবে নামভৰ্তি কৰা মুঠ শিক্ষাৰ্থীৰ প্ৰায় এঘাৰ শতাংশক বিভিন্ন পাঠ্যক্ৰমত শিক্ষা লাভৰ সুযোগ আগবঢ়াই আছে। ৰাজ্যৰ প্ৰায় ১ লাখ শিক্ষাৰ্থীয়ে বিশ্ববিদ্যালয়ে চলাই থকা ১৮টা স্নাতকোত্তৰ, ১২টা স্নাতক, ১৫টা ডিপ্লমা আৰু ২৮ টা চাৰ্টিফিকেট পাঠ্যক্ৰমৰ অধীনত শিক্ষা গ্ৰহণ কৰি আছে। সম্প্ৰতি নতুনকৈ স্বীকৃতি পোৱা চাৰিটা পাঠ্যক্ৰমৰ সৈতে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মুঠ শৈক্ষিক কাৰ্যসূচীৰ সংখ্যা ৭৭লৈ বৃদ্ধি পালে। তেওঁ উল্লেখ কৰে যে বিশ্ববিদ্যালয়ে কিছুদিনৰ পূৰ্বে ভাৰত চৰকাৰৰ দক্ষতা বিকাশ মন্ত্ৰালয়ৰ অধীনস্থ 'বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় পৰিষদ'ৰ পৰা স্বীকৃতি লাভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ববিদ্যালয় হোৱাৰ গৌৰৱো অৰ্জন কৰিছে। এই স্বীকৃতি অনুসৰি বিশ্ববিদ্যালয়ে পৰিষদৰ দ্বাৰা অনুমোদিত বিশেষ দক্ষতা বিকাশক পাঠ্যক্ৰমবোৰৰ বাবে প্ৰমাণপত্ৰ প্ৰদানকাৰী তথা মূল্যায়নকাৰী অভিকৰণ হিচাপে সেৱা আগবঢ়াব। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়াই জানিবলৈ দিয়ে যে সম্প্ৰতি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰিকল্পনা আৰু উন্নয়ন সমিতিৰ লগতে ব্যৱস্থাপনা ব'ৰ্ডে অনুমোদন জনোৱা প্ৰস্তাৱ এটা কাৰ্য ৰূপায়ণ কৰিবলৈ বিশ্ববিদ্যালয়ৰ ৰাণী চৌহদত এটা বিজ্ঞানাগাৰ আৰু এটা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ প্ৰস্তুতি আৰম্ভ কৰা হৈছে। আজিৰ সংবাদমেলত বিশ্ববিদ্যালয়ৰ শৈক্ষিক ডীন ড° ৰঞ্জন দত্ত কলিতা, অধ্যয়ন কেন্দ্ৰসমূহৰ ডীন ড° ৰিদীপ দেৱচৌধুৰী সহিতে অন্য বিষয়া তথা শিক্ষকবৃন্দ উপস্থিত থাকে।

17/07/2026 09:54

নেতৃত্বাধীন বিজেপি মিত্ৰজোট চৰকাৰ...

**সংবাদমেলত কৰ্তৃপক্ষৰ ঘোষণা**

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিঃৰ বিজ্ঞান পাঠ্যক্ৰমলৈ ইউ জি চিৰ স্বীকৃতি

**প্ৰতিদিন সংবাদ, গুৱাহাটী, ১৬ জুলাই ঃ** উত্তৰ-পূব ভাৰতৰ একমাত্ৰ মুক্ত আৰু দূৰৱৰ্তী উচ্চ শিক্ষানুষ্ঠান কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে এই বছৰৰ জুলাই মাহৰ পৰা দূৰৱৰ্তী পদ্ধতিৰে গণিত, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞানৰ লগতে গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিষয়ৰ শৈক্ষিক পাঠ্যক্ৰম আৰম্ভ কৰিব। বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)ৰ দূৰৱৰ্তী শিক্ষা ব্যুৰ'ৱে এই সন্দৰ্ভত প্ৰয়োজনীয় অনুমোদন জনোৱাৰ পাচত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে চলিত শিক্ষা বৰ্ষৰ পৰাই ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান তথা গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰিব। আগ্ৰহী আৰু অৰ্হতাসম্পন্ন শিক্ষাৰ্থীসকলে এতিয়াৰে পৰা বিশ্ববিদ্যালয়ত গণিত বিষয়ৰ স্নাতক পাঠ্যক্ৰমতো নামভৰ্তি কৰিব পাৰিব। বিশ্ববিদ্যালয়ৰ খানাপাৰাস্থিত নগৰ কাৰ্যালয়ত আজি আয়োজিত এখন সংবাদমেল সম্বোধন কৰি

■ ১০ পৃষ্ঠাত

**জুলাইত আৰম্ভ হ'ব গণিত-ৰসায়ন বিজ্ঞান পদাৰ্থ বিজ্ঞান-গ্ৰন্থাগা তথ্য বিজ্ঞানৰ পাঠ্যক্ৰ**

ডাম

17/07/2026 09:53

# কে কে এইচ এছ অ' ইউৰ বিজ্ঞান পাঠ্যক্ৰমলৈ ইউ জি চিৰ স্বীকৃতি

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৬ জুলাই ঃ** উত্তৰ-পূব ভাৰতৰ একমাত্ৰ মুক্ত আৰু দূৰৱৰ্তী উচ্চ শিক্ষানুষ্ঠান কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে এই বছৰৰ জুলাই মাহৰ পৰা দূৰৱৰ্তী পদ্ধতিৰে গণিত, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞানৰ লগতে গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিষয়ৰ শৈক্ষিক পাঠ্যক্ৰম আৰম্ভ কৰিব। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দূৰৱৰ্তী শিক্ষা ব্যুৰ'ৰে এই সন্দৰ্ভত যথাবিহিত অনুমোদন জনোৱাৰ পাছত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে চলিত শিক্ষা বৰ্ষৰ পৰাই ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান তথা গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰিব। আগ্ৰহী আৰু অৰ্হতাসম্পন্ন শিক্ষাৰ্থীসকলে এতিয়াৰে পৰা বিশ্ববিদ্যালয়ত গণিত বিষয়ত স্নাতক পাঠ্যক্ৰমতো নামভৰ্তি কৰিব পাৰিব। ইয়াৰ লগে লগে অঞ্চলটোৰ মুক্ত তথা দূৰৱৰ্তী শিক্ষা জগতত আন এক অভিলেখ স্থাপন কৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ত উল্লেখ কৰাৰ দৰে কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাতে স্নাতক তথা স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়াই থকা সম্পূৰ্ণ বহু বিভাগীয় শিক্ষাসেৱা প্ৰদানকাৰী বিশ্ববিদ্যালয়ত পৰিণত হ'ল। ইয়াৰ পূৰ্বে বিশ্ববিদ্যালয়ৰ গণিত, বিজ্ঞান তথা প্ৰযুক্তিবিদ্যা, বাণিজ্যিক প্ৰশাসন আৰু যোগ বিষয়ক স্নাতকোত্তৰ পাঠ্যক্ৰমসমূহক বিশ্ববিদ্যালয় অনুদান আয়োগে স্বীকৃতি প্ৰদান কৰিছে। আজি বিশ্ববিদ্যালয়ৰ খানাপাৰাস্থিত নগৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে কয় যে এই স্বীকৃতিয়ে বিশ্ববিদ্যালয়ৰ দীঘদিনীয়া প্ৰচেষ্টা সফল কৰি তুলিলে। এতিয়াৰে পৰা হাজাৰ হাজাৰ আগ্ৰহী শিক্ষাৰ্থীৰ, বিশেষকৈ স্নাতকোত্তৰ পাঠ্যক্ৰম সমাপ্ত কৰাৰ ইচ্ছা পুহি ৰখা কৰ্মৰত স্নাতক শিক্ষকসকলৰ মনৰ আশা পূৰণ হ'ব। অধ্যাপক দাসে ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০য়ে বিচৰাৰ দৰেই সৰ্বমুঠ নামভৰ্তিৰ অনুপাতৰ দিশেৰেও কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ৰাজ্যৰ সমগ্ৰ উচ্চ শিক্ষানুষ্ঠানৰ ভিতৰত দেখুওৱা সফলতাত আলোকপাত কৰে। বৰ্তমান বিশ্ববিদ্যালয়খনে ৰাজ্যত উচ্চশিক্ষা লাভৰ বাবে নামভৰ্তি কৰা মুঠ শিক্ষাৰ্থীৰ প্ৰায় এঘাৰ শতাংশক বিভিন্ন পাঠ্যক্ৰমত শিক্ষা লাভৰ সুযোগ আগবঢ়াই আছে। ৰাজ্যৰ প্ৰায় ১ লাখ শিক্ষাৰ্থীয়ে বিশ্ববিদ্যালয়ে চলাই থকা ১৮টা স্নাতকোত্তৰ, ১২টা স্নাতক, ১৫টা ডিপ্ল'মা আৰু ২৮টা চাৰ্টিফিকেট পাঠ্যক্ৰমৰ অধীনত শিক্ষা গ্ৰহণ কৰি আছে। সম্প্ৰতি নতুনকৈ স্বীকৃতি পোৱা চাৰিটা পাঠ্যক্ৰমৰে সৈতে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মুঠ শৈক্ষিক কাৰ্যসূচীৰ সংখ্যা ৭৭টালৈ বৃদ্ধি পালে। তেওঁ উল্লেখ কৰে যে বিশ্ববিদ্যালয়ে কিছুদিনৰ পূৰ্বে ভাৰত চৰকাৰৰ দক্ষতা বিকাশ মন্ত্ৰণালয়ৰ অধীনস্থ 'বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় পৰিষদ'ৰ পৰা স্বীকৃতি লাভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ববিদ্যালয় হোৱাৰ গৌৰৱো অৰ্জন কৰিছে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়াই জনোৱা মতে সম্প্ৰতি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰিকল্পনা আৰু উন্নয়ন সমিতিৰ লগতে ব্যৱস্থাপনা ব'ৰ্ডে অনুমোদন জনোৱা প্ৰস্তাৱ এটা কাৰ্যত ৰূপায়ণ কৰিবলৈ বিশ্ববিদ্যালয়ৰ ৰাণী চৌহদত এটা বিজ্ঞানাগাৰ আৰু এটা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ প্ৰস্তুতি আৰম্ভ কৰা হৈছে। আজিৰ সংবাদমেলত বিশ্ববিদ্যালয়ৰ শৈক্ষিক ডীন ডঃ ৰঞ্জন দত্ত কলিতা, অধ্যয়ন কেন্দ্ৰসমূহৰ ডীন ডঃ ৰিদিপ দেৱচৌধুৰীৰ সহিতে অন্য বিষয়া তথা শিক্ষকবৃন্দ উপস্থিত থাকে।